# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 04-12-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। মহাৰাষ্ট্ৰত আজি বিয়লি বিজেপি বিধায়িনী দলৰ নৱনিৰ্বাচিত নেতাগৰাকীয়ে ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিব।

২। বাংলাদেশৰ অস্থিৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশখন ভ্ৰমণলৈ নাযাবলৈ ইংলেণ্ড চৰকাৰৰ ইয়াৰ নাগৰিকসকলক পৰামৰ্শ।

৩। ১৯৭১ চনত ট্ৰাইডেণ্ট অভিযানৰ সফলতাৰ স্মৃতিত আজি নৌসেনা দিৱস উদযাপন।

৪। ইছৰোৰ নৱতম মহাকাশ যান পি এছ এল ভি চি-59ৰ আজি বিয়লি শ্ৰীহৰিকোটাৰ পৰা উৎক্ষেপণ।

*আৰু*

৫। ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত, পাকিস্তানৰ মুখামুখি।

ooooo

মহাৰাষ্ট্ৰত নৱনিৰ্বাচিত বিজেপি বিধায়িনী দল আজি মুম্বাইত মিলিত হ'ব আৰু বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচন কৰিব। দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই ইতিমধ্যে দলটোৰ জ্যেষ্ঠ নেতা তথা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন আৰু গুজৰাটৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয় ৰূপানীক আজিৰ এই বৈঠকৰ বাবে হাইকামাণ্ডৰ পৰ্যবেক্ষক ৰূপে নিযুক্ত কৰিছে। মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা বিদায়ী মন্ত্ৰীসভাৰ উপ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ বিধায়িনী দলৰ নতুন নেতা নিৰ্বাচিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে বুলি পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে, যে বিজেপি বিধায়িনী দলৰ নৱনিৰ্বাচিত নেতাগৰাকীয়ে আজি বিয়লি ৫ বজাত মুম্বাইৰ আজাদ ময়দানত আয়োজিত অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰীৰূপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও উপস্থিত থাকিব। উল্লেখযোগ্য যে, সদ্যসমাপ্ত মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টী নেতৃত্বাধীন মহাযুটী মৰ্চাই দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা অৰ্জন কৰিছিল আৰু বিজেপিয়ে বিধানসভাৰ সৰ্বাধিক আসনত জয় লাভ কৰিছিল।

ooooo

বাংলাদেশত চলি থকা সংখ্যালঘু হিন্দুৰ ওপৰত আক্ৰমণ আৰু হিন্দু ধৰ্মগুৰুৰ নিৰ্যাতনৰ বিৰুদ্ধে বিশ্বৰ বিভিন্ন দেশত উদ্বেগৰ সৃষ্টি হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে ইতিমধ্যে বাংলাদেশক সকলো শ্ৰেণীৰ জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ সকীয়নি দিয়াৰ লগতে বৰ্তমানৰ ৰাষ্ট্ৰপতি জ' বাইডেনেও বাংলাদেশৰ তত্বাৱধায়ক চৰকাৰৰ মুৰব্বী মহম্মদ ইউনুছক দেশখনৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ আহ্বান জনাইছে। ভাৰতে

ইতিমধ্যে বাংলাদেশত বসবাস কৰা হিন্দু সম্প্ৰদায়ৰ জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ সেই দেশৰ চৰকাৰক বাৰম্বাৰ অনুৰোধ জনাইছে।

বিভিন্ন দেশে তেওঁলোকৰ নাগৰিকসকলক বাংলাদেশ ভ্ৰমণৰ পৰা বিৰত থাকিবলৈ পৰামৰ্শ দিছে। ইংলেণ্ড চৰকাৰে কালি জাৰি কৰা এটা নিৰ্দেশত সেই দেশৰ নাগৰিকসকলক বাংলাদেশৰ বৰ্তমান পৰিস্থিতিত দেশখন ভ্ৰমণ নকৰিবলৈ পৰামৰ্শ দিছে। দেশখনৰ বৈদেশিক আৰু কমনৱেলথ পৰিক্ৰমা বিভাগে বাংলাদেশত সন্ত্ৰাসবাদী শক্তিসমূহে বিশেষকৈ বিদেশী নাগৰিকৰ সমাৱেশ হোৱা ঠাইসমূহত যধে-মধে আক্ৰমণ চলোৱাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰিছে আৰু ইংলেণ্ডৰ পৰ্যটকসকলক বাংলাদেশ ভ্ৰমণ পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিছে।

ooooo

আজি নৌসেনা দিৱস। ১৯৭১ চনত বাংলাদেশৰ মুক্তিযুদ্ধৰ সময়ত ভাৰতীয় নৌবাহিনীয়ে ট্ৰাইডেণ্ট অভিযানৰ সময়ত কৰাচী বন্দৰত আক্ৰমণ কৰি পাকিস্তান নৌবাহিনীৰ পি এন এছ্ খাইবাৰকে ধৰি ৪ খন যুদ্ধ জাহাজ ধ্বংস কৰাৰ ৪ ডিচেম্বৰৰ দিনটো প্ৰতি বছৰে নৌসেনা দিৱস হিচাপে পালন কৰি অহা হয়। এই দিৱসত বিগত দশকসমূহত নৌবাহিনীয়ে লাভ কৰা সফলতাৰ গৌৰৱগাঁথা স্মৰণ কৰা হয়। এই উপলক্ষে আজি নৌ বাহিনীৰ মুখ্যালয় আৰু বিভিন্ন কামাণ্ডত ভালেমান কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

ooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 আজি বিয়লি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা উৎক্ষেপন কৰা হ'ব। ইছৰোৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি আজি বিয়লি ৪ বাজি ৮ মিনিটত PSLV-C59 যানখনে ইউৰোপীয় মহাকাশ সংস্থাৰ প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন কৰিব। ইছৰোৰ বাণিজ্যিক শাখা নিউ স্পেচ ইণ্ডিয়া লিমিটেডে এই প্ৰোবা থ্ৰী উপগ্ৰহলানি মহাকাশত উৎক্ষেপন বাবে ইউৰোপীয় মহাকাশ সংস্থাৰ পৰা ফৰমাচ লাভ কৰিছে। প্ৰোবা থ্ৰি উপগ্ৰহসমূহ কক্ষপথত উপনীত হোৱাৰ পাছত দুটা ভাগত বিভক্ত হ'ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব।

ooooo

দক্ষিণ-পশ্চিম আফ্ৰিকাৰ দেশ নামিবিয়াত শাসনাধিস্থিত ছাউথ-ৱেষ্ট আফ্ৰিকা পিপলছ অৰ্গেনাইজেছন চমুকৈ স্বাপো দলৰ নেতা নেতুম্ব নাণ্ডি দিয়াতা দেশখনৰ নতুন ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হৈছে। নামিবিয়াৰ অষ্টমগৰাকী ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত ৭২ বছৰীয়া দিয়াতা হৈছে প্ৰথমগৰাকী মহিলা ৰাষ্ট্ৰপতি। সদ্যসমাপ্ত ৰাষ্ট্ৰপতি নিৰ্বাচনত দিয়াতাই ৫৭ শতাংশ ভোট লাভ কৰি নিৰ্বাচিত হৈছে। ১৯৯০ চনত তেতিয়াৰ বৰ্ণবাদী দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে সেই সময়ৰ ৰোডেছিয়াৰ স্বাধীনতা সংগ্ৰামত অন্যতম অগ্ৰণী ভূমিকা গ্ৰহণ কৰা দিয়াতাই ইতিপূৰ্বে নামিবিয়াৰ পৰৰাষ্ট্ৰমন্ত্ৰীকে ধৰি বিভিন্ন পদত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰিছিল। সদ্যসমাপ্ত নিৰ্বাচনত স্বাপোৱে নেচনেল এচেম্বলিৰ ৯৬ খন আসনৰ ভিতৰত ৫১ খন আসনত জয় লাভ কৰিছিল।

ooooo

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে অসমত ৰূপায়ণ কৰিবলৈ লোৱা গুৱাহাটী ৰিং ৰোড, কাজিৰঙা এলিভেটেড কৰিড'ৰ আৰু গহপুৰ-নুমলীগড়ৰ পানীৰ তলৰ সুৰঙ্গ পথ নিৰ্মাণৰ বাবে শীঘ্ৰেই ভূমি অধিগ্ৰহণ আৰু অন্যান্য প্ৰস্তুতিমূলক কাম সম্পূৰ্ণ কৰা হ'ব। নতুন দিল্লীত কালি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন

গাডকাৰীৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। ৰাজ্যখনত অগ্ৰাধিকাৰযুক্ত আন্তঃগাঁথনি প্ৰকল্পসমূহ সময় মতে সম্পূৰ্ণকৰণ নিশ্চিত কৰাৰ বাবে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে আগবঢ়োৱাৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। সামাজিক মাধ্যমত এই সম্পৰ্কত প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয় যে ৰাজ্য চৰকাৰে পূৰ্বে জনোৱা মতামতক মান্যতা প্ৰদান কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-ডিব্ৰুগড় সম্প্ৰসাৰিত অংশৰ কামৰ গতি এতিয়া ক্ষীপ্ৰ কৰা হৈছে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ ঘাইপথৰ দ্বৈত পথ নিৰ্মাণৰ কাম-কাজৰ অগ্ৰগতি হোৱা বুলিও তেওঁ উল্লেখ কৰে। বৈঠকত কালি ৰাজ্যত চলি থকা ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ প্ৰকল্পসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আন এক আলোচনাত মিলিত হয়। এই আলোচনাত উত্তৰ-পূব বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত অষ্টলক্ষ্মী মহোৎসৱ আৰু ৰাজ্যত চলিত উন্নয়নমূলক প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আলোচনা কালত মন্ত্ৰীগৰাকীক অহা ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাকো সাক্ষাৎ কৰে। এই সাক্ষাৎ কালত স্বাস্থ্য সেৱা খণ্ডক সমৰ্থন কৰাৰ বাবে পি এম জে এ ওৱাই, আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু অন্যান্য কেন্দ্ৰীয় আঁচনি ৰূপায়ণত অসমৰ অগ্ৰগতিৰ বিষয়েও অৱগত কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়।

০০০০০

লোকসভাৰ সচিবালয়ে সাংসদসকলক সংসদ ভৱনৰ প্ৰৱেশ দুৱাৰত প্ৰতিবাদ কাৰ্যসূচী গ্ৰহণ নকৰিবলৈ আহ্বান জনাইছে। সচিবালয়ে কালি প্ৰকাশ কৰা এই আহ্বানত কয়, যে সংসদৰ অধিৱেশন চলি থকা সময়ত প্ৰৱেশদ্বাৰত এনে ধৰণৰ প্ৰতিবাদী কাৰ্যসূচী চলি থাকিলে সংসদৰ কাৰ্যক্ৰমণিকা বাধাপ্ৰাপ্ত হয় বুলি লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্যসভাৰ সভাপতিয়ে আহ্বান জনাইছে। সংসদ আৰু ইয়াৰ সদস্যসকলৰ সুৰক্ষা আটাইতকৈ গুৰুত্বপূৰ্ণ বুলি সচিবালয়ৰ এই বিজ্ঞপ্তিত উল্লেখ কৰা হৈছে।

০০০০০

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি উন চুংক য়ুনে দেশখনত বলৱৎ কৰা সামৰিক আইন প্ৰত্যাহাৰ কৰাৰ বিষয়ে ঘোষণা কৰিছে। দেশখনত কালি সামৰিক শাসন বলৱৎ কৰাৰ ছঘণ্টাৰ পাছতেই সেই দেশৰ নেচনেল এচেম্বলীত ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত হয় আৰু ৰাষ্ট্ৰপতি য়ুনৰ মন্ত্ৰীসভাই এই সামৰিক আইন প্ৰত্যাহ্বাৰ কৰাত অনুমোদন জনায়। সংবাদ সংস্থাৰ বাতৰি অনুসৰি সামৰিক আইন বলৱৎ কৰাৰ বাবে নিয়োগ কৰা দক্ষিণ কোৰিয়াৰ সেনা বাহিনীক বেৰেকলৈ ঘূৰি যাবলৈ দেশখনৰ সামৰিক প্ৰধানগৰাকীয়ে নিৰ্দেশ দিছে।

ইপিনে, এই সামৰিক শাসন বলৱৎ কৰা ঘোষণাক দেশখনৰ বিৰোধী ডেমক্ৰেটিক পাৰ্টীৰ নেতা পাৰ্ক চান্দ দেউৱে ৰাষ্ট্ৰদোহৰ ঘটনা বুলি উল্লেখ কৰিছে আৰু ৰাষ্ট্ৰপতি য়ুনৰ তাৎক্ষণিক পদত্যাগ দাবী কৰিছে। ইয়াৰ আগতে কালি শেষ নিশা ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতি উন চুংক য়ুনে সামৰিক শাসন বলৱতৰ ঘোষণা উত্তৰ কোৰিয়াৰ বাওঁপন্থী শক্তিসমূহৰ বিৰুদ্ধে দক্ষিণ কোৰিয়াক সুৰক্ষিত কৰাৰ বাবে লোৱা জৰুৰী ব্যৱস্থা বুলি উল্লেখ কৰিছিল আৰু সামৰিক শাসনৰ ঔচিত্য আছে বুলি দাবী কৰিছিল।

০০০০০

ওমানৰ মাস্কটত চলি থকা জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ফাইনেল খেলখন আজি ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। বৰ্তমানৰ চেম্পিয়ন ভাৰতে কালি দ্বিতীয়খন ছেমি ফাইনেলত মালয়েছিয়াক ৩-১ গ'লত পৰাজিত কৰে। ভাৰতৰ হৈ খেলৰ ১০ মিনিটত দিলৰাজ সিং, ৪৫ মিনিটত ৰোহিত আৰু ৫২ মিনিটত সাৰদানন্দ তিৱাৰীয়ে গ'ল কেইটা কৰে। পাকিস্তানে প্ৰথমখন ছেমি ফাইনেলত জাপানক ৪-২ গ'লত পৰাজিত কৰিছিল।

০০০০০

শ্বাৰজাহত চলি থকা ১৯ বছৰ অনুৰ্ধৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ নিজৰ তৃতীয়খন খেলত আজি ভাৰত ঘৰুৱা দল সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ সন্মুখীন হ'ব। গ্ৰুপ-এৰ আন এখন খেলত আজি ডুবাইত পাকিস্তানে জাপানৰ মুখামুখি হ'ব। প্ৰতিযোগিতাৰ প্ৰথমখন লীগ খেলত ভাৰত পাকিস্তানৰ হাতত পৰাজিত হৈছিল যদিও দ্বিতীয়খন খেলত ভাৰতে জাপানক ২১১ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰিছিল। আজিৰ খেলখনত জয় লাভ কৰিব পাৰিলে প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰতৰ প্ৰৱেশ সুনিশ্চিত হ'ব।

০০০০০

**সমাপ্ত**